অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ
ASSAM JATIYA BIDYALAY EDUCATION COUNCIL
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati-781020
Ph. : 0361-2654229, 98642 02080, e-mail : ajbecghy@gmail.com, website : www.ajbec.com

প্ৰসংগ ঃ এজবেক/০০৯/৭/২০২৪-২৫ তাৰিখ ঃ ২৭-০১-২০২৫
Ref : Date :

## অসম জাতীয় বিদ্যালয়ত সদৌ অসম আন্তঃজাতীয় বিদ্যালয় তৰ্ক প্ৰতিযোগিতা, প্ৰথম স্থানত অসম জাতীয় বিদ্যালয়ৰ গুঞ্জনগীত পৰাশৰ

**নুনমাটি, গুৱাহাটী, ২৭ জানুৱাৰী ঃ** অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ উদ্যোগত আজি নুনমাটিস্থ অসম জাতীয় বিদ্যালয় চৌহদত সদৌ অসম আন্তঃজাতীয় বিদ্যালয় তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত হয়। সদনৰ মতে, 'হিতাধিকাৰী আঁচনিয়ে অসমৰ অৰ্থনীতি বিপৰ্যস্ত কৰিব' ("Beneficiary schemes will jeopardize the economy of Assam"). বিষয়ত আয়োজন কৰা এই তৰ্ক প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ লাভ কৰে অসম জাতীয় বিদ্যালয়, নুনমাটি, গুৱাহাটীৰ গুঞ্জনগীত পৰাশৰে। দ্বিতীয় পুৰস্কাৰ লাভ কৰে বিশ্বনাথ জিলাৰ হাৱাজানস্থিত অম্বিকাগিৰী ৰায়চৌধুৰী জাতীয় বিদ্যালয়ৰ তৰংগণা প্ৰিয়ম ফুকনে। আনহাতে তৰ্ক প্ৰতিযোগিতাখনত তৃতীয় পুৰস্কাৰ লাভ কৰে গোলাঘাট জিলাৰ বোকাখাত জাতীয় বিদ্যালয়ৰ নিৰিবিলি ভঁৰালীয়ে। বিচাৰকৰ বিশেষ পুৰস্কাৰ লাভ কৰে অসম জাতীয় বিদ্যালয়, নুনমাটি, গুৱাহাটীৰ মেধাজ্যোতি নাথ আৰু পশ্চিম যোৰহাট জাতীয় বিদ্যালয়, দহোটীয়াৰ সমীৰ বৰুৱাই। সদৌ অসম আন্তঃ জাতীয় বিদ্যালয় তৰ্ক প্ৰতিযোগিতা, ২০২৫ৰ 'শ্ৰেষ্ঠ দল'ৰ সন্মান লাভ কৰে অসম জাতীয় বিদ্যালয়, নুনমাটি, গুৱাহাটীৰ নৱম শ্ৰেণীৰ শিক্ষাৰ্থী গুঞ্জনগীত পৰাশৰ আৰু মেধাজ্যোতি নাথে। প্ৰথম পুৰস্কাৰ প্ৰাপ্ত প্ৰতিযোগীগৰাকীলৈ ট্ৰফী, মান-পত্ৰ আৰু নগদ ১০,০০০.০০টকা আগবঢ়োৱা হয়। আনহাতে দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰ প্ৰাপ্ত প্ৰতিযোগীলৈ ট্ৰফী, মান-পত্ৰ আৰু ক্ৰমে নগদ ৭,০০০.০০ আৰু ৫,০০০.০০ টকা আগবঢ়োৱা হয়। বিচাৰকৰ বিশেষ পুৰস্কাৰ লাভ কৰা প্ৰতিযোগীসকললৈ মানপত্ৰৰ লগতে একোখনকৈ গ্ৰন্থ আগবঢ়োৱা হয়। উল্লেখযোগ্য যে এই প্ৰতিযোগিতাখনত ৰাজ্যখনৰ ১৫ খন জিলাৰ মুঠ ৩১ গৰাকী শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। এই প্ৰতিযোগিতাখনত অধ্যক্ষ হিচাপে উপস্থিত থাকে পুঠিমাৰী কলেজৰ অধ্যক্ষ ড° নিত্যানন্দ কলিতা। প্ৰতিযোগিতাখনত বিচাৰকৰ দায়িত্বত আছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ শিক্ষা বিভাগৰ সহকাৰী অধ্যাপিকা ড° বিদুলা শৰ্মা আৰু লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ কৰ্পোৰেট সংযোগৰ মুৰব্বী ড° জ্যোতিষা শইকীয়া। এই তৰ্ক প্ৰতিযোগিতাৰ সদনৰ অধ্যক্ষ আৰু বিচাৰকসকলক অসম জাতীয় বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি দিলীপ কুমাৰ দত্ত চৌধুৰীয়ে সম্বৰ্দ্ধনা জনায়। অনুষ্ঠানৰ আৰম্ভণিতে সকলোকে উদ্দেশ্যি আদৰণী ভাষণ দিয়ে বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে। ভাষণ প্ৰসংগত অধ্যক্ষগৰাকীয়ে বিদ্যালয় পৰ্য্যায়ত তৰ্ক সভাত অংশগ্ৰহণ এক অপৰিহাৰ্য্য বিষয় বুলি দোহাৰে আৰু শিক্ষাৰ্থীসকলক সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰাৰ বাবে আহ্বান জনায়। অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ সচিব ডা° নাৰায়ণ শৰ্মাই ভাষণ প্ৰসংগত অসমৰ বিভিন্ন জিলাৰ পৰা অহা তাৰ্কিকসকলক ধন্যবাদ জনাই কয় যে শিক্ষাৰ্থীসকলৰ বাবে উচ্চ নম্বৰ সংযুক্ত মাৰ্কশ্বিট এখনেই একমাত্ৰ নহয়। ব্যক্তিৰ সৰ্বাংগীন বিকাশৰ বাবে তৰ্ক প্ৰতিযোগিতাত অংশগ্ৰহণৰ প্ৰয়োজন আছে, যিয়ে শিক্ষাৰ্থীসকলক বিদ্যালয় পৰ্য্যায়তে বিভিন্ন বিষয়ৰ ওপৰত সূক্ষ্ম অধ্যয়নৰ বাবে অনুপ্ৰেৰণা যোগায় আৰু সুন্দৰ কথনশৈলীৰ লগতে শিক্ষাৰ্থীক নেতৃত্বৰ গুণ আহৰণত সহায় কৰে। আজিৰ এই তৰ্ক প্ৰতিযোগিতাখনক তেখেতে তৰ্ক প্ৰতিযোগিতাৰ এক কৰ্মশালা বুলি অভিহিত কৰে।এই অনুষ্ঠানতে অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ সমন্বয়ক অসীম কৃষ্ণ বৰুৱাই এনেধৰণৰ তৰ্ক প্ৰতিযোগিতাত অংশ লোৱা তথা বিষয় এটা অধ্যয়ন কৰাৰ অভ্যাসে শিক্ষাৰ্থীসকলৰ ভৱিষ্যত জীৱনত সহায়ক হ'ব বুলি ভাষণ প্ৰসংগত কয়। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় বিদ্যালয়ৰ সমাজ বিজ্ঞান বিভাগৰ জ্যেষ্ঠ শিক্ষয়িত্ৰী চন্দনা মেধি চৌধুৰীয়ে। আজিৰ এই অনুষ্ঠানটোৰ আঁত ধৰে বিদ্যালয়ৰ সমাজ বিজ্ঞান বিভাগৰ শিক্ষক তথা তৰ্ক আৰু কুইজ বিভাগৰ আহ্বায়ক নৰজিৎ বৰুৱাই।

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়